**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-08-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ আমিনগাঁৱত নিৰ্মাণ কৰা শৰাইঘাট পাৰ্কখন আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে আমিনগাওঁত থকা কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত স্থাপন কৰা মহাত্মা গান্ধীৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰে। ইয়াৰ লগতে তেওঁ কেইবাটাও পৰিয়ালক উত্তৰ গুৱাহাটীত স্থাপন হ'বলগীয়া ন্যায়িক চহৰৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণো প্ৰদান কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বছৰৰ শেষৰ ফালে ৰংমহলত ন্যায়িক চহৰ নিৰ্মাণৰ কাম-কাজ আৰম্ভ হ'ব। নায়িক চহৰৰ নিৰ্মাণৰ বাবে প্ৰথম অৱস্থাত ১৩৫ বিঘা ভূমি অধিগ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

০০০০

জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে আজি গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ সীমান্তৱৰ্তী অঞ্চলত নতুনকৈ নিৰ্মাণ কৰা ৰেংমা নদীৰ জলসিঞ্চন প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ সৈতে জড়িত বিষয়াসকলক প্ৰকল্পৰ কাম-কাজ খৰটকীয়া কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে আঁচনিখনৰ জৰিয়তে অধিক কৃষকক সামৰি ল'ব পৰা বিষয়টো সন্দৰ্ভতো আলোচনা কৰে। পৰিদৰ্শনৰ সময়ছোৱাত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন, সমজিলা আয়ুক্ত মানস নাথকে ধৰি বিভাগীয় বিষয়া-অভিযন্তাসকল উপস্থিত থাকে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বি টি আৰৰ বিভিন্ন ঠাইত দলীয় বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। বাক্সা জিলাৰ অদালবাৰী, হাউলী মাজৰগাঁৱত তৃণমূল পৰ্যায়ৰ বিজেপিৰ কৰ্মীৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই উন্নয়নৰ নতুন লক্ষ্যৰে শান্তিপূৰ্ণ বড়োলেণ্ডৰ বিপুল সম্ভাৱনাৰ দিশত কাম কৰিবলৈ দলটো প্ৰতিজ্ঞাবদ্ধ বুলি মন্তব্য কৰে। ২০ আগষ্টলৈকে বি টি আৰৰ ৪০টা সমষ্টিত দলীয় বিজয় সংকল্প সভা অনুষ্ঠিত হ'ব বুলি মন্তব্য কৰি তেওঁ কয় যে বি টি আৰত দলটোৰ নিৰ্বাচনী সামৰ্থ্য নিৰূপণ কৰিবলৈকে এই সভাসমূহ আহ্বান কৰা হৈছে। আজিৰ সভাত মন্ত্ৰী ৰণজিত কুমাৰ দাস, বি টি আৰৰ কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

তিনি মাহজোৰা অভিযানৰ অন্তত মৰিগাওঁ আৰক্ষীয়ে এটা চাইবাৰ অপৰাধী চক্ৰৰ পৰা ৯৩ লাখ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে যোৱা মে' মাহত জাগীৰোডৰ পিয়ুষ কান্তি দে' নামৰ এগৰাকী ব্যৱসায়ীৰ পৰা উত্তৰ প্ৰদেশৰ চাইবাৰ অপৰাধীয়ে কৌশলেৰে ৯৬ লাখ টকা আত্মসাৎ কৰিছিল।

ব্যৱসায়ীগৰাকীয়ে যোৱা ৫ মে'ত এই সন্দৰ্ভত জাগীৰোড থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত গোচৰৰ ভিত্তিত মৰিগাওঁ জিলা অপৰাধ বিভাগৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই চাইবাৰ অপৰাধীৰ বিৰুদ্ধে অভিযান চলাই ৯৩ লাখ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

০০০০

তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত আজি জিলা পৰ্যায়ৰ প্ৰসূতি মৃত্যু নিৰীক্ষণ সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সভাত জিলাখনত যোৱা সময়ছোৱাত সন্তান জন্মৰ সময়ত প্ৰসূতিৰ মৃত্যু হোৱা প্ৰতিটো ঘটনাৰ কাৰণ আৰু পৰিস্থিতি পুংখানুপুংখভাৱে আলোচনা কৰা হয়। এই সভাত স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্তৰ লগতে যুটীয়া স্বাস্থ্য সঞ্চালক তথা স্বাস্থ্য বিভাগৰ আন আন শীৰ্ষ বিষয়াৰ লগতে সংশ্লিষ্ট অঞ্চলসমূহৰ আশাকৰ্মী উপস্থিত থাকে। ভৱিষ্যতে জিলাখনত প্ৰসূতিৰ মৃত্যুৰ ঘটনা ৰোধ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাবৰ বাবে জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰীসকলক আহ্বান জনায়।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত ২০২৫-২৬ বৰ্ষৰ ৫ বছৰীয়া সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ দিক্‌দৰ্শন কাৰ্যসূচী আজি বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত উপাচাৰ্য্য অধ্যাপক ননীগোপাল মহন্তই শিক্ষাৰ্থীসকলক শিক্ষা জীৱনত পালন কৰিবলগীয়া নীতি নিয়মসমূহ নিষ্ঠাৰে মানি চলিবলৈ আহ্বান জনায়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি গুৱাহাটী আৰক্ষী আয়ুক্ত ড° পাৰ্থ সাৰথি মহন্তই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। আন এগৰাকী বক্তা নগাওঁ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সাৰুৱা ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক সামাজিক দায়বদ্ধতা আৰু মানৱতাৰ জৰিয়তে জীৱনত আগবাঢ়ি যাবলৈ আহ্বান জনায়। আজিৰ এই কাৰ্যসূচীত ৯০০ ৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্য চৰকাৰে আজি ৰাজ্যখনৰ অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে চলিত বছৰৰ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰসমূহ ঘোষণা কৰিছে। ৰাজ্যিক পৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিন ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্ত বিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়াইছে। একেদৰে বৰপেটা জিলা আয়ুক্ত কাৰ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী বিৰেন্দ্ৰ নাথ দাস, বজালী জিলা আয়ুক্ত কাৰ্যালয়ৰ কণিষ্ঠ প্ৰশাসনিক সহায়ক অবিনাশ গোস্বামী, কাছাৰৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক হেমাংগ বড়োকে ধৰি ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ আগবঢ়োৱা হৈছে। ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে এখন বিজ্ঞপ্তি যোগে এই কথা প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ